**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-04-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***

*::::::::::::::::::::::::::::::::::::::*

## Headlines

১। ৰাজ্যৰ ৪টা সমষ্টিত তৃতীয় পৰ্যায়ত হ'বলগীয়া নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ ব্যাপক প্ৰচাৰ অব্যাহত।

২। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ কাইলৈ নিৰ্বাচনী প্ৰচাৰৰ বাবে অসম ভ্ৰমণ।

৩। চলিত শিক্ষা বৰ্ষৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত শিক্ষাৰ্থীসকলে বহু বিকল্প বিশিষ্ট প্ৰশ্ন আৰু বৰ্ণনাত্মক প্ৰশ্নৰ দুয়োটা শিতানতে উত্তীৰ্ণৰ বাবে পৃথকে পৃথকে ন্যূনতম নম্বৰ অৰ্জন কৰিব লাগিব বুলি মাধ্যমিক শিক্ষা পৰিষদৰ ঘোষণা।

*আৰু*

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দুখন পৃথক খেলত গুজৰাট টাইটানছ ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ আৰু ছানৰাইজাৰ্ছ হায়দৰাবাদ, ৰাজস্থান ৰয়েলছৰ মুখামুখি।

০০০০০০০

ৰাজ্যৰ ৪টা সমষ্টিত তৃতীয় পৰ্যায়ত হ'বলগীয়া নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে ব্যাপক প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি সৰ্থেবাৰীত বৰপেটা লোকসভা সমষ্টিৰ অগপ, বিজেপি আৰু ইউ পি পি এলৰ সমৰ্থিত প্ৰাৰ্থী ফণীভূষণ চৌধুৰীৰ নিৰ্বাচনী প্ৰচাৰ সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। ড০ শৰ্মাই কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শাসনকালত বড়োলেণ্ড, কাৰ্বিআংলং আৰু ডিমা হাছাওত  আন্দোলন আৰু বোমা-বাৰুদৰ সলনি উন্নয়ন আৰু শান্তিৰ পৰিবেশ ৰচনা হৈছে। নিবনুৱা সমস্যা সমাধানৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে, বৰ্তমান খাটি খোৱা লোকৰ ল'ৰা-ছোৱালীয়ে বিনা পইচাৰে চাকৰি লাভ কৰিছে। আনহাতে মুখ্যমন্ত্ৰীয়ে কালি পলাশবাৰী আৰ বি হাইস্কুল উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ত খেলপথাৰত বিজুলী কলিতা মেধিৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। মুখ্যমন্ত্ৰীয়ে তৃতীয় পৰ্যায়ৰ নিৰ্বাচনত ধুবুৰী, কোকৰাঝাৰ, বৰপেটা আৰু গুৱাহাটী সমষ্টিত বিজেপি প্ৰাৰ্থীৰ জয়ী হ'ব বুলি আশা প্ৰকাশ কৰে।

আনহাতে গুৱাহাটী লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী বিজুলী কলিতা মেধিয়ে আজি গুৱাহাটী মহানগৰীৰ বশিষ্ঠ বৰপথাৰ ৰংগমঞ্চ, পাটৰকুচি, বতাহঘুলি, পাঞ্জাবাৰী, দক্ষিণগাঁও, হিড়িম্বাপুৰ বেলতলি বিহুমঞ্চ, কালিহিপাৰা, ৰুক্মিনীগাঁও, হাতীগাঁৰৰ লখিমীনগৰৰ তিনিআলিত নিৰ্বাচনী কাৰ্যালয় উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ লগতে প্ৰচাৰ চলাব।

ইফালে কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কালি বৰপেটা জিলাৰ কয়াকুচিত কংগ্ৰেছৰ বৰপেটা আৰু কোকৰাঝাৰ সংসদীয় সমষ্টিৰ প্ৰাৰ্থী দ্বীপ বায়ন আৰু গৰ্জন মুছাহাৰীৰ সমৰ্থনত এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। সভাত শ্ৰীখাৰ্গেয়ে দলটোৱে শাসনলৈ আহিলে মহিলাসকলক ১ লাখ টকাৰ

বিত্তীয় সাহাৰ্যৰ লগতে কেন্দ্ৰীয় চৰকাৰৰ চাকৰিত ৫০ শতাংশ সংৰক্ষণৰ প্ৰতিশ্ৰুতি দিয়ে। ইয়াৰ লগতে কংগ্ৰেছ নেতাগৰাকীয়ে যুৱক-যুৱতীসকলৰ বাবে ১ লাখ টকাৰ শিক্ষাবৃত্তি আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। শাসনাধিস্থ বিজেপি দলক তীব্ৰ সমালোচনা কৰি শ্ৰীখাৰ্গেই কয় যে, কংগ্ৰেছে বিজেপিৰ দৰে কেৱল প্ৰতিশ্ৰুতি প্ৰদান নকৰি প্ৰতিশ্ৰুতি পূৰণৰ কাৰণেও অহোপুৰুষাৰ্থ কৰে। ইয়াৰ পূৰ্বে গুৱাহাটীত এখন সংবাদমেলক সম্বোধন কৰি কংগ্ৰেছ নেতাগৰাকীয়ে দেশৰ গণতন্ত্ৰ আৰু সংবিধান ৰক্ষাৰ বাবে দলটোৱে অহৰহ যুঁজ দিয়াৰ উপৰি ৫টা ন্যায় প্ৰদানৰ প্ৰতিশ্ৰুতি আৰু ২৫টা গেৰাণ্টি জনসাধাৰণক দিছে বুলি প্ৰকাশ কৰে।

বৰপেটা সমষ্টিৰ চি পি আই এমৰ প্ৰাৰ্থী মনোৰঞ্জন তালুকদাৰে অভয়াপুৰী বিধানসভা সমষ্টিত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰি বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী ফনীভূষণ চৌধুৰীক সমালোচনা কৰে। বিধানসভাৰ আলোচনাত নিমাতে থকা ফণীভূষণ চৌধুৰীক বৰপেটাবাসী ৰাইজে ভোটদান নকৰে বুলি শ্ৰী তালুকদাৰে মন্তব্য কৰে। ইপিনে ৰাইজৰ দলৰ সভাপতি তথা বিধায়ক অখিল গগৈয়ে কালি ধুবুৰী লোকসভা সমষ্টিৰ কংগ্ৰেছৰ প্ৰাৰ্থী ৰকিবুল হুছেইনৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়।

উল্লেখযোগ্য যে তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে কালি চিৰাং জিলাত বিপিএফ, জিএছপি আৰু অন্যান্য দলসমূহৰ নিৰ্বাচনী প্ৰচাৰ সভা অনুষ্ঠিত হয়।

০০০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ কাইলৈ নিৰ্বাচনী প্ৰচাৰৰ বাবে অসমলৈ আহিব। নেতাগৰাকীয়ে গুৱাহাটী লোকসভা সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী বিজুলী কলিতা মেধিৰ হৈ প্ৰচাৰ চলাব। এই অনুসৰি শ্ৰী শ্বাহে গুৱাহাটী চাইকেল ফেক্টৰীৰ পৰা লাল গণেশলৈ এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰিব।

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীৰ প্ৰস্তাৱিত অসম ভ্ৰমণসূচীৰ পৰিপ্ৰেক্ষিতত কামৰূপ মহানগৰ জিলা প্ৰশাসনে কেতবোৰ নিৰ্দিষ্ট পথক লৈ নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি এই পথসমূহ ড্ৰোন নিষিদ্ধ, আটচবাজী আৰু উৰণ নিষিদ্ধ এলেকা হিচাপে ঘোষণা কৰা হৈছে। জিলা দণ্ডাধীশ সুমিত চত্তাৱানে এই নিৰ্দেশ জাৰি কৰে। এই অনুসৰি লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰৰ পৰা জালুকবাৰী, মালিগাওঁ, চাইকেল ফেক্টৰী তিনিআলি হৈ লালগণেশ পৰ্যন্ত পথছোৱাত এই নিৰ্দেশনা বাহাল থাকিব।

০০০০০০০

অহা ৭ মে'ত হবলগীয়া তৃতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত কালি ডাক বেলটযোগে ভোটগ্ৰহণ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। কামৰূপ মহানগৰ জিলা আয়ুক্তই প্ৰকাশ কৰা মতে, টুৱেল্ভ-ডি প্ৰপত্ৰৰ জৰিয়তে আবেদন কৰা লোকসকলৰ মাজৰ পৰা যোগ্যতাৰ ভিত্তিত বাচনি কৰা বিশেষভাৱে সক্ষম আৰু ৮৫ বছৰ উৰ্ধৰ লোকসকলৰ বাসগৃহত উপস্থিত হৈ ভোটগ্ৰহণ কৰা হৈছে। উল্লেখযোগ্য যে গুৱাহাটী লোকসভা সমষ্টিৰ এহেজাৰ ৫৪১ গৰাকী ৮৫ বছৰ উৰ্ধৰ ভোটদাতা থকাৰ বিপৰীতে কেৱল কামৰূপ মহানগৰ জিলাত এহেজাৰ ২২৪ গৰাকী এনে ভোটদাতা আছে। একেদৰে লোকসভা সমষ্টিটোত ৫৯৫ গৰাকী বিশেষভাৱে সক্ষম ভোটদাতা আছে। আনহাতে, ২ মে'ৰ পৰা নিৰ্বাচন প্ৰক্ৰিয়াত নিয়োজিত বিষয়া কৰ্মচাৰী তথা অন্যান্য ব্যক্তিসকলৰ ডাক বেলটযোগে ভোটগ্ৰহণ কৰা হ'ব। উল্লেখযোগ্য যে এইবাৰ দেশৰ নিৰ্বাচন আয়োগে ১১ টা বিভাগৰ কৰ্মচাৰীৰ বাবে ডাক বেলটযোগে ভোটগ্ৰহণৰ ব্যৱস্থা কৰিছে। কামৰূপ মহানগৰ নিৰ্বাচনী জিলাৰ ডাক বেলট কোষৰ নডেল বিষয়া ড০ জীৱন কৃষ্ণ গোস্বামীয়ে প্ৰকাশ কৰা মতে ২ আৰু ৩ মে'ত গুৱাহাটী কমাৰ্ছ কলেজ, দিশপুৰ কলেজ আৰু অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানত পুৱা ৯ বজাৰ পৰা বিয়লি ৫ বজালৈ ডাক

বেলটযোগে ভোটগ্ৰহণ কৰা হ'ব। নিৰ্বাচনী দায়িত্বত নিয়োজিত বিষয়া কৰ্মচাৰীসকলে ২ ৰ পৰা ৫ মে'ৰ ভিতৰত কামৰূপ মহানগৰ জিলা আয়ুক্তৰ কাৰ্যালয়তো ভোটদান কৰিব পাৰিব।

০০০০০০০

ৰাজ্যত তৃতীয় পৰ্যায়ত গুৱাহাটী, বৰপেটা, কোকৰাঝাৰ আৰু ধুবুৰী এই ৪ টা সমষ্টিৰ বাবে লোকসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। গুৱাহাটী সমষ্টিত বিজেপি মিত্ৰজোটৰ প্ৰাৰ্থী বিজুলী কলিতা মেধি আৰু কংগ্ৰেছ দলৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰ গোস্বামীয়ে প্ৰতিদ্বন্দিতা আগবঢ়াব। সমষ্টি পুনৰ নিৰ্ধাৰণৰ পাছত গুৱাহাটী সমষ্টিটোত গোৱালপাৰা, কামৰূপ আৰু কামৰূপ মহানগৰ জিলাৰ ১০ টা বিধানসভা সমষ্টি সামৰি লোৱা হৈছে। বৰ্তমান সমষ্টিটো এন ডি এৰ সাংসদ কুইন ওজাই প্ৰতিনিধিত্ব কৰি আছে। ইপিনে, বৰপেটা সমষ্টিত এইবাৰ বিজেপি মিত্ৰজোটৰ প্ৰাৰ্থী তথা অসম গণ পৰিষদৰ নেতা ফণীভূষণ চৌধুৰীয়ে প্ৰতিদ্বন্দিতা কৰিব। ইয়াৰ বিপৰীতে কংগ্ৰেছ নেতৃত্বাধীন বিৰোধী ঐক্যমঞ্চৰ দীপ বায়ন, চিপিআইএমৰ মনোৰঞ্জন তালুকদাৰ, তৃণমূল কংগ্ৰেছৰ আব্দুল কালাম আজাদ আৰু নিৰ্দলীয় প্ৰাৰ্থী দুলু আহমেদে সমষ্টিটোত প্ৰতিদ্বন্দিতা কৰিব। সম্প্ৰতি সমষ্টিটো কংগ্ৰেছ দলৰ সাংসদ আব্দুল খালেকে প্ৰতিনিধিত্ব কৰি আছে। বৰপেটা লোকসভা সমষ্টিটোৱে সমষ্টি পুনৰ নিৰ্ধাৰণৰ পাছত বঙাইগাওঁ, বৰপেটা, কামৰূপ আৰু নলবাৰী জিলাৰ ১০ টা বিধানসভা সমষ্টি সামৰি লৈছে। বৰপেটা সমষ্টিত প্ৰায় ১৭ লাখ ভোটদাতা আছে। আনহাতে, কোকৰাঝাৰ লোকসভা সমষ্টিটোৱে কোকৰাঝাৰ, চিৰাং আৰু বাক্সা জিলাৰ ৯ টা বিধানসভা সমষ্টি সামৰি লৈছে। এই সমষ্টিটোত এইবাৰ বিজেপি মিত্ৰজোটৰ হৈ ইউ পি পি এলৰ জয়ন্ত বসুমতাৰী, কংগ্ৰেছৰ গৰ্জন মুছাহাৰী আৰু তৃণমূল কংগ্ৰেছৰ গৌৰীশংকৰ শৰণীয়াই প্ৰতিদ্বন্দিতা কৰিছে। এই সমষ্টিটো সম্প্ৰতি সাংসদ নৱ কুমাৰ শৰণীয়াই প্ৰতিনিধিত্ব কৰি আছে। ইয়াৰ পূৰ্বে বি পি এফৰ ছানছুমা খুংগুৰ বিছমুথিয়াৰে সমষ্টিটোক ৪ বাৰকৈ প্ৰতিনিধিত্ব কৰিছিল। ইপিনে, ধুবুৰী সমষ্টিত এইবাৰ বিজেপি মিত্ৰজোটৰ হৈ অসম গণ পৰিষদৰ জাভেদ ইছলাম, কংগ্ৰেছৰ ৰকিবুল হুছেইন আৰু এ আই ইউ ডি এফৰ বদৰুদ্দিন আজমলে প্ৰতিদ্বন্দিতা কৰিছে। এই সমষ্টিটো এ আই ইউ ডি এফৰ হৈ বৰ্তমানৰ সাংসদ বদৰুদ্দিন আজমলে ২০০৯ চনৰ পৰা প্ৰতিনিধিত্ব কৰি আছে। ১৫ লাখৰো অধিক ভোটদাতা থকা সমষ্টিটোৱে ধুবুৰী, দক্ষিণ শালমাৰা, মানকাছৰ, গোৱালপাৰা, বঙাইগাঁও আৰু বৰপেটা জিলাৰ ১১টা বিধানসভা সমষ্টি সামৰি লৈছে।

০০০০০০০

ৰাজ্যত তৃতীয় তথা অন্তিম পৰ্যায়ত হ'বলগীয়া নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনসমূহে ভোটদাতাৰ সজাগতামূলক ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে নিৰ্বাচনী আচৰণবিধি উলংঘাৰ ঘটনা ৰোধ কৰিবলৈ বিহিত ব্যৱস্থা লৈছে। এই অনুসৰি বিভিন্ন জিলাত ভোটদাতাৰ সজাগতাৰ বাবে কাৰ্যসূচী গ্ৰহণ কৰাৰ লগতে ফ্লাইং স্কোৱাদ আৰু নিৰীক্ষণকাৰী দলসমূহে নিৰ্বাচনী আচৰণ বিধি উলংঘাৰ ঘটনা ধৰা পেলোৱাৰ বাবে কাৰ্যকৰী ব্যৱস্থা লৈছে। এই পৰ্যায়ত নিৰ্বাচন হবলগীয়া ৪ টা সমষ্টি গুৱাহাটী, বৰপেটা, কোকৰাঝাৰ আৰু ধুবুৰীৰ অন্তৰ্গত অঞ্চলসমূহত নিৰ্বাচন বিভাগ আৰু জিলা প্ৰশাসনৰ উদ্যোগত যুৱ ভোটদাতাসকলক ভোটদানৰ বাবে আগ্ৰহী কৰি তুলিবলৈ বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। ইপিনে, নিৰ্বাচন সুকলমে পৰিচালনাৰ বাবে ভোটগ্ৰহণ হ'বলগীয়া কেন্দ্ৰসমূহত নিৰ্বাচনী আয়োগৰ নিৰ্দেশনামৰ্মে সুৰক্ষা ব্যৱস্থাকে ধৰি প্ৰয়োজনীয় সকলো ব্যৱস্থা কৰিবলৈ জিলা নিৰ্বাচন বিভাগসমূহে নিশ্চিত কৰিছে। প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰলৈ আহি ভোটদান কৰাৰ বাবে ইচ্ছুক জ্যেষ্ঠ নাগৰিক আৰু দিব্যাংগসকলক ভোটদানৰ সুবিধা কৰি দিয়াৰ বাবেও উপযুক্ত ব্যৱস্থা লোৱা হ'ব।

তদুপৰি ৫০ শতাংশ ভোটগ্ৰহণ কেন্দ্ৰত ৱেবকাষ্টিঙৰ ব্যৱস্থা কৰা হ'ব। একেদৰে নিৰ্বাচনী দায়িত্বত নিয়োজিত বিষয়া কৰ্মচাৰী আৰু ই ভি এম কঢ়িয়াই নিয়া বাহনসমূহত জি পি এছ্ সংলগ্ন কৰা হ'ব।

০০০০০০০

অসম মাধ্যমিক শিক্ষা পৰিষদ ছেবাই মাধ্যমিক শিক্ষাৰ ক্ষেত্ৰত কেতবোৰ সংশোধনী ঘোষণা কৰিছে। এই সন্দৰ্ভত পৰিষদে এখন জাননী জাৰি কৰিছে। এই অনুসৰি চলিত শিক্ষা বৰ্ষৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত শিক্ষাৰ্থীসকলে বহু বিকল্প বিশিষ্ট প্ৰশ্ন আৰু বৰ্ণনাত্মক প্ৰশ্নৰ দুয়োটা শিতানতে উত্তীৰ্ণৰ বাবে পৃথকে পৃথকে ন্যূনতম নম্বৰ অৰ্জন কৰিব লাগিব। ইপিনে, চলিত শিক্ষাবৰ্ষৰ পৰাই নৱম শ্ৰেণীৰ পাঠ্যক্ৰমত **কৃত্ৰিম বুদ্ধিমত্তা আৰু ৰবটিক্স** বিষয়টো ঐচ্ছিক বিষয় হিচাপে সন্নিৱিষ্ট কৰা হ'ব বুলি মাধ্যমিক শিক্ষা পৰিষদে প্ৰকাশ কৰিছে। এই পাঠ্যক্ৰমৰ পি ডি এফ সংস্কৰণ ইতিমধ্যে পৰিষদৰ ৱেবছাইটত উপলব্ধ হৈছে। নতুনকৈ সন্নিৱিষ্ট কৰা এই বিষয়টোত ব্যৱহাৰিক নম্বৰ হিচাপে ৫০ শতাংশ থকাৰ লগতে গাৰ্মেণ্ট ডিজাইনিং, উডক্ৰাফ্ট, সংগীত, নৃত্য, যোগ, শাৰীৰিক শিক্ষাৰ দৰে অন্যান্য বৃত্তিমূলক বিষয়সমূহতো ৫০ শতাংশ ব্যৱহাৰিক নম্বৰ থাকিব। নৱম আৰু দশম শ্ৰেণীৰ ব্যৱহাৰিক পৰীক্ষাসমূহ জিলা পৰ্যায়ৰ অভ্যন্তৰীন পৰীক্ষা সমিতিয়ে নিয়ন্ত্ৰণ কৰিব।

০০০০০০০

গ্ৰীষ্মকালত ৰে'লযাত্ৰীৰ সংখ্যা বৃদ্ধিৰ পৰিপ্ৰেক্ষিতত উত্তৰ-পূব সীমান্ত ৰে'লৱেই গুৱাহাটী আৰু নিউ তিনিচুকীয়াৰ পৰা সাপ্তাহিক বিশেষ ৰে'ল চলাচলৰ ব্যৱস্থা কৰিছে। এখন বিশেষ ৰে'ল গুৱাহাটী আৰু ৰাজস্থানৰ শ্ৰীগংগানগৰৰ মাজত আৰু আনখন নিউ তিনিচুকীয়া আৰু এছ্ এম ভি টি বেংগালুৰুৰ মাজত চলাচল কৰিব। গুৱাহাটী আৰু ৰাজস্থানৰ শ্ৰীগংগানগৰৰ মাজৰ বিশেষ ৰে'লখন অহা ১ মে'ৰ পৰা ২৬ জুনলৈ প্ৰতি বুধবাৰে সন্ধিয়া ৬ বাজি ১৫ মিনিটত গুৱাহাটীৰ পৰা যাত্ৰা আৰম্ভ কৰি শনিবাৰে নিশা চাৰে ৩ বজাত শ্ৰীগংগানগৰ পাবগৈ। ৰে'লখনে ৫ মে'ৰ পৰা ৩০ জুনলৈ উভতনি যাত্ৰাত শ্ৰীগংগানগৰৰ পৰা প্ৰতি দেওবাৰে দিনৰ ১ বাজি ২০ মিনিটত যাত্ৰা আৰম্ভ কৰি বুধবাৰে নিশা ১২ বাজি ২৫ মিনিটত উপস্থিত হ'ব। আনহাতে নিউ তিনিচুকীয়া আৰু এছ্ এম ভি টি বেংগালুৰুৰ মাজত চলিবলগীয়া বিশেষ ৰে'লখনে অহা ২ মে'ৰ পৰা ২৭ জুনলৈ প্ৰতি বৃহস্পতিবাৰে সন্ধিয়া ৬ বাজি ৪৫ মিনিটত যাত্ৰা আৰম্ভ কৰি দেওবাৰে দিনৰ ৯ বজাত এছ্ এম ভি টি বেংগালুৰু পাবগৈ। ৰে'লখনে ৬ মে'ৰ ১ জুলাইলৈ উভতনি যাত্ৰাত প্ৰতি সোমবাৰে নিশা ১২ বাজি ৩০ মিনিটত এছ্ এম ভি টি বেংগালুৰুৰ পৰা যাত্ৰা আৰম্ভ কৰি বুধবাৰে ১ বাজি ১৫ মিনিটত নিউ তিনিচুকীয়াত উপস্থিত হ'ব।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত বিয়লি চাৰে ৩ বজাত হ'বলগীয়া প্ৰথমখন খেলত গুজৰাট টাইটানছ ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আনহাতে চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত সন্ধিয়া চাৰে ৭ বজাত হ'বলগীয়া দ্বিতীয়খন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ আৰু চেন্নাই ছুপাৰকিংছ মুখামুখি হ'ব।

ৰাজস্থান ৰয়েলছে যোৱা নিশা লক্ষ্ণৌৰ একানা ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৭ উইকেটত পৰাস্ত কৰে। ৰাজস্থান ৰয়েলছে ১৯৭ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৮ অভাৰ আৰু ৫টা বলত ৩টা উইকেট হেৰুৱাই ১৯৯ ৰান কৰে। ৰাজস্থানৰ হৈ অধিনায়ক সঞ্জু ছেমচনে ৭১ ৰান কৰি আউট নোহোৱাকৈ থাকে। ধ্ৰুৱ জুৰেলে ৫২ ৰানৰ বৰঙণি আগবঢ়ায়। ইয়াৰ পূৰ্বে লক্ষ্ণৌ ছুপাৰ

জায়েণ্টছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেটৰ বিনিময়ত ১৯৬ ৰান কৰে। লক্ষ্ণৌৰ হৈ অধিনায়ক কে এল ৰাহুলে সৰ্বাধিক ৭৬ ৰান কৰাৰ বিপৰীতে দীপক হুডাই ৫০ ৰানৰ বৰঙণি আগবঢ়ায়। সঞ্জু ছেমচনক প্লেয়াৰ অৱ দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

ইয়াৰ আগেয়ে দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ আন এখন খেলত দেলহী কেপিটেলছে মুম্বাই ইণ্ডিয়ানছক ১০ ৰানত পৰাস্ত কৰে। খেলখনত দেলহী কেপিটেলছে প্ৰথমে বেট ধৰি ৪টা উইকেটৰ বিনিময়ত ২৫৭ ৰান কৰে। প্ৰত্যুত্তৰ মুম্বাই ইণ্ডিয়ানছে নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ২৪৭ ৰানহে কৰিবলৈ সমৰ্থ হয়।

০০০০০০

Newspaper Review (28-04-2024 Morn.)

দ্বিতীয় পৰ্যায়ত অসমৰ ৫ সমষ্টিত ৮১ দশমিক ১-৭ শতাংশ ভোটদান হাৰ প্ৰথম পৰ্যায়ৰ তুলনাত বৃদ্ধি হোৱাৰ বাতৰিটো গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায়বোৰ মুখ্য বাতৰি কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। ৰাজ্যত নতুনকৈ ৫০ হাজাৰ নিযুক্তিক লৈ বৃহৎ ঘোষণা ড০ শৰ্মাৰ ঃ চাকৰি নথকা পৰিয়ালৰ প্ৰাৰ্থী লাভ কৰিব অতিৰিক্ত নম্বৰ শিৰোনামেৰে নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

সমগ্ৰ শিক্ষাৰ ২০২৪-২৫ বৰ্ষৰ কাৰ্যবিৱৰণীত ৰাজ্যৰ শিক্ষা ব্যৱস্থাৰ পয়ালগা ছবি ঃ নামভৰ্তি-শূণ্যক লৈ কেন্দ্ৰৰ গুৰুত্বপূৰ্ণ নিৰ্দেশনা শিৰোনামেৰে দৈনিক জনমভূমি কাকতে গুৰুত্বসহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

**মণিপুৰত উগ্ৰপন্থীৰ আক্ৰমণত নিহত হোৱা অসমৰ চিআৰপিএফ বিষয়াসহ দুজন** বাতৰিটো দৈনিক অগ্ৰদূত কাকত আৰু অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

নিৰ্বাচনী প্ৰচাৰৰ বাবে কাইলৈ কেন্দ্ৰীয় অমিত শ্বাহ গুৱাহাটীলৈ অহাৰ বাতৰিটোক, সোমবাৰে গুৱাহাটীত অমিত শ্বাহৰ ৰোড শ্ব' শিৰোনামেৰে আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

সৰ্থেবাৰী, পলাশবাৰী, শালবাৰীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্বাচনী ঃ মোদীৰ শাসনত শান্তি প্ৰতিষ্ঠা হ'ল শিৰোনামেৰে দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় চৰকাৰে অসমত প্ৰথমখন আই আই এম প্ৰতিষ্ঠা কৰিব বুলি কোৱা বাতৰিটো Centre has decided to set up first IIM in Assam : CM শিৰোনামেৰে দা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰিৰ স্থান দিছে।

বিজেপি, কংগ্ৰেছ দুয়ো দলে প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনত জয় নিশ্চিত বুলি দাবী কৰা বাতৰিটোক Both BJP, Congress confident of winning in phase 1, 2 LS Polls শিৰোনামেৰে দি আসম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে - ঢেকীয়াজুলিৰ ধীৰাই মাজুলীত বন্যহস্তীৰ আক্ৰমণত বনকৰ্মীসহ চাৰিজন নিহত, কোকৰাঝাৰ, বৰপেটা, গুৱাহাটীত মুখ্যমন্ত্ৰী অবিৰত নিৰ্বাচনী প্ৰচাৰ, মে'ৰ প্ৰথম সপ্তাহত উচ্চতৰ মাধ্যমিকৰ ফলাফল, ধুবুৰী-নগাঁৱত ইউডিএফৰ জয় নিশ্চিত, দাবী আজমলৰ ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০০০

মণিপুৰৰ বিষ্ণুপুৰ জিলাৰ নৰনচিনা গাঁৱৰ পাহাৰীয়া অঞ্চলত কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী আৰু ৰাজ্যিক বাহিনীয়ে অভিযান চলাই অস্ত্ৰ-শস্ত্ৰ আৰু গোলা-বাৰুদ উদ্ধাৰ কৰে। নৰনচিনা গাঁৱত থকা চি আৰ পি এফৰ চকীত পৰহি নিশা হোৱা আক্ৰমণৰ ঘটনাত এজন উপ-পৰিদৰ্শক আৰু কনিষ্টবলৰ মৃত্যু হোৱাৰ পাছত কালি এই অভিযান চলোৱা হয়। এই অভিযানত ৪টা ৰাইফল, দুটা চীনত নিৰ্মিত হেণ্ড গ্ৰেনেড, ১৪৫ জাঁই গুলী-বাৰুদকে ধৰি বিভিন্ন আপত্তিজনক সামগ্ৰী জব্দ কৰা হয়। এই অভিযানত অপৰাধী চক্ৰৰ তিনিটা বাংকাৰো ধবংস কৰা হয়। ইপিনে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী এন বীৰেন সিঙে সুৰক্ষা বাহিনীৰ ওপৰত হোৱা এই আক্ৰমণৰ ঘটনাক গৰিহণা দিয়াৰ লগতে দোষীক উপযুক্ত শাস্তি প্ৰদানৰ আশ্বাস দিয়ে। ৰাজ্যখনৰ নিৰাপত্তা উপদেষ্টা কুলদীপ সিঙেও এই ঘটনাক গৰিহণা দিছে।

0000000

**সমাপ্ত**